# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

নং ঃ ১৬৬/২০২১

# ড্ৰাগ্‌ছমুক্ত অসম গঢ়াৰ লক্ষ্যৰে গোলাঘাটত আয়োজিত জব্দকৃত ড্ৰাগ্‌ছ বিনষ্টকৰণ অভিযানত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

## আৰক্ষীয়ে আইনৰ গণ্ডীৰ ভিতৰত থাকি ড্ৰাগ্‌ছ ব্যৱসায়ৰ বিৰুদ্ধে কঠোৰতম ব্যৱস্থা ল'ব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৭ জুলাই ঃ** অসম আৰক্ষীয়ে বিগত দুমাহত ৰাজ্যজুৰি অভিযান চলাই জব্দ কৰা ড্ৰাগ্‌ছ একাংশ বিনষ্টকৰণৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি অসমৰ আৰক্ষীৰ দ্বাৰা গোলাঘাটৰ বগৰীজেং পুলিচ প্লে' গ্ৰাউণ্ডত আয়োজিত এক অনুষ্ঠানত অংশগ্ৰহণ কৰি এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই এই একেটা অনুষ্ঠানতে ক'ভিড-১৯ত স্বামীহাৰা মহিলালৈ সাহায্য আঁচনিৰ চেক বিতৰণ কাৰ্যসূচীতো অংশগ্ৰহণ কৰে । মুখ্যমন্ত্ৰী ড° শৰ্মাই অগ্নিসংযোগ কৰি শুভাৰম্ভ কৰা এই ড্ৰাগ্‌ছ বিনষ্টকৰণ অভিযানত আজি ৮০২ গ্ৰাম হেৰ'ইন, ১২০৫ কেজি গাঞ্জা, ৩ কেজি অ'পিয়াম আৰু ২লাখ ৬হাজাৰ ৯০৬টা টেবলেট বিনষ্ট কৰা হয় ।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে আমি যদি এখন নিৰাপদ অসম আৰু এখন নিৰোগী অসম সৃষ্টি কৰিব নোৱাৰো, তেন্তে অনাগত সময়ছোৱাত আমি কেতিয়াও ৰাজ্যখনক বিকাশৰ পথলৈ লৈ যাব নোৱাৰিম। এসময়ত অসমৰ মাজেৰে ড্ৰাগ্‌ছ সৰবৰাহ হৈছিল যদিও শেহতীয়াকৈ ৰাজ্যখনত ড্ৰাগ্‌ছৰ ব্যৱসায় গঢ়ি উঠিছে। ৰাজ্যখনত ড্ৰাগ্‌ছৰ বিভীষিকা কি ধৰণে বৃদ্ধি পাইছে তাৰ নিদৰ্শন হিচাপে অসম আৰক্ষীয়ে বিগত দুটা মাহতে অভিযান চলাই প্ৰায় ১৭০ কোটি টকাৰ ড্ৰাগছ জব্দ কৰিবলৈ সক্ষম হৈছে। ৰাজ্যখনত কমেও দুই-তিনি হাজাৰ কোটি টকাৰ ড্ৰাগছৰ ব্যৱসায় চলি আছে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই মন্তব্য কৰে যে ৰাজ্যৰ মুখ্যমন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণৰ পিছতেই তেওঁ এখন ড্ৰাগ্‌ছমুক্ত অসম গঢ়াৰ লক্ষ্যৰে অভিযান চলাবলৈ অসম আৰক্ষীক নিৰ্দেশ দিছিল। ড্ৰাগছমুক্ত অসম গঢ়াৰ লক্ষ্যৰে অসম আৰক্ষীয়ে চলাই থকা অভিযানে ইতিবাচক ফল দেখুৱাবলৈ সক্ষম হৈছে বুলি মন্তব্য কৰি তেওঁ কয় যে বৰ্তমানলৈকে আৰক্ষীয়ে ১৬৮.৩৮ কোটি টকা মূল্যৰ ড্ৰাগছ জব্দ কৰাৰ উপৰি ড্ৰাগছ সৰবৰাহ আৰু ব্যৱসায়ৰ সৈতে জড়িত ১৪৯৩ গৰাকী ব্যক্তিক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। সমাজত ড্ৰাগছৰ বৰবিহ মেলি দিয়া ব্যক্তিসকললৈ সতৰ্কবাণী প্ৰেৰণ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ড্ৰাগ্‌ছৰ বিৰুদ্ধে অভিযান চলাবলৈ মুখ্যমন্ত্ৰী হিচাপে তেওঁ আৰক্ষীক সম্পূৰ্ণ স্বাধীনতা প্ৰদান কৰিছে। আৰক্ষীয়ে আইনৰ গণ্ডীৰ ভিতৰত থাকি ড্ৰাগছ ব্যৱসায়ীৰ বিৰুদ্ধে

জনসংযোগ, অসম
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

কঠোৰৰ পৰা কঠোৰতম ব্যৱস্থা ল'ব পাৰিব বুলিও তেওঁ কয়। চৰকাৰে ইয়াত হস্তক্ষেপ নকৰে। এই ক্ষেত্ৰত আৰক্ষীয়ে নিজৰ সীমা নিজে নিৰ্দ্ধাৰণ কৰিব বুলিও তেওঁ কয়। অসম আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযানক ভূয়সী প্ৰশংসা কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসম এতিয়া ড্ৰাগছ ব্যৱসায়ীসকলৰ বাবে নিৰাপদ স্থলী হৈ থকা নাই। ড্ৰাগছ বিনষ্টকৰণ অভিযানে ড্ৰাগ্‌ছমুক্ত অসম গঢ়াৰ ক্ষেত্ৰত এক ইতিবাচক বাৰ্তা প্ৰেৰণ কৰিব বুলি মন্তব্য কৰি ড্ৰাগছৰ বিৰুদ্ধে অৰ্হনিশে অভিযান চলাই যাবলৈ মুখ্যমন্ত্ৰীয়ে অসম আৰক্ষীক আহ্বান জনায়।

আজিৰ এই অনুষ্ঠানতে ক'ভিড-১৯ত স্বামীহাৰা মহিলাক আৰ্থিক সকাহ দিয়াৰ উদ্দেশ্যে গোলাঘাটি জিলাৰ চাৰিগৰাকী মহিলাক মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা ২.৫ লাখ টকাৰ একোখনকৈ চেক প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ক'ভিডত মৃত্যুবৰণ কৰা আনসকল লোকৰ পৰিয়ালকো আৰ্থিক সাহায্য আগবঢ়োৱাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে। তেওঁ লগতে কয় যে আগন্তুক ১৫ আগষ্টৰ দিনটোত ক'ভিড আক্ৰান্ত হৈ অকাল বিয়োগ ঘটা লোকসকলৰ দুৰ্ভগীয়া পৰিয়ালসমূহক এই ধনৰাশিৰ চেক প্ৰদান কৰিবলৈ চৰকাৰে প্ৰচেষ্টা হাতত লৈছে।

গোলাঘাট জিলাৰ উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱাই আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰি অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্তই কয় যে ড্ৰাগছমুক্ত অসম গঢ়াৰ বাবে অসম আৰক্ষীয়ে দৃঢ়তাৰে সংকল্পবদ্ধ হৈছে।

অনুষ্ঠানত বিত্তমন্ত্ৰী অজন্তা নেওগ, কৃষিমন্ত্ৰী তথা বোকাখাত সমষ্টিৰ বিধায়ক অতুল বৰা, স্বাস্থ্যমন্ত্ৰী তথা গোলাঘাট জিলাৰ অভিভাৱক মন্ত্ৰী কেশৱ মহন্ত, জলসিঞ্চন মন্ত্ৰী অশোক সিংহল, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহন, ডিব্ৰুগড় সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকন, দেৰগাঁও সমষ্টিৰ বিধায়ক ভৱেন্দ্ৰ নাথ ভঁৰালী, সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকন, স্বাস্থ্য বিভাগৰ প্ৰধান সচিব অনুৰাগ গোৱেলকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে ।

**নিঃকুঃদাঃ**
**১৭/০৭/২০২১**